# উপসংহাৰ

পূৰ্বৱৰ্তী অধ্যায়সমূহত কৰা আলোচনাৰ অন্তত এই তথ্য পোহৰলৈ আহে যে বৰ্তমান সময়ত সমগ্ৰ বিশ্বকে ধৰি বৃহত্তৰ ভাৰতবৰ্ষ আৰু আমাৰ অসমৰ সাহিত্যিক সমাজৰ মাজতো নাৰীচেতনাৰ বিষয়টোৱে প্ৰাধান্য লাভ কৰিছে। কেৱল পুৰুষ সাহিত্যিকসকলেই নহয়, নাৰী ঔপন্যাসিকসকলেও এই বিষয়টোক যথেষ্ট গুৰুত্বসহকাৰে গ্ৰহণ কৰিছে আৰু নাৰীচেতনাৰ দিশটোক নিজ নিজ সাহিত্যিক অনুৰাগেৰে প্ৰোজ্জ্বল কৰি তুলিছে। নাৰীচেতনা বোলোঁতে আকৌ 'নাৰীবাদ'ৰ ধাৰণাটো মনলৈ আহে। নাৰীবাদ নাৰীচেতনাৰ অংশ হ'ব পাৰে। কিন্তু 'নাৰীচেতনা' আৰু 'নাৰীবাদ' কেতিয়াও একে নহয়। নাৰীৰ অধিকাৰ, স্বাতন্ত্ৰ্য আদিৰ প্ৰতি তীব্ৰভাৱে চৈতন্যযুক্ত নাৰী এগৰাকী নাৰীবাদী নহ'বও পাৰে। নাৰীচেতনা এক সাৰ্বিক অভিব্যক্তি। কিন্তু 'নাৰীবাদ' এক জাগ্ৰত আন্দোলন। এই প্ৰসংগত বিভিন্ন সমাজবিজ্ঞানী, সমালোচক, গৱেষক আদিৰ মতামত আগত ৰাখি **'অৱতৰণিকা'**ত বিষয়টো আগবঢ়াই নিয়া হৈছে।

**প্ৰথম অধ্যায়**ত আধুনিক অসমীয়া উপন্যাসৰ ধাৰাত মহিলা ঔপন্যাসিক আৰু তেওঁলোকৰ উপন্যাসত প্ৰতিফলিত নাৰীচেতনাৰ বিষয়ে আলোচনা দাঙি ধৰা হৈছে। অসমীয়া ভাষাত প্ৰথম উপন্যাস সদৃশ ৰচনাৰে অসমীয়া সাহিত্যক সমৃদ্ধ কৰা পদ্মাৱতী দেৱী ফুকননীৰ পৰা আৰম্ভ কৰি এই অধ্যায়ত চন্দ্ৰপ্ৰভা শইকীয়ানী, নিৰুপমা বৰগোহাঞি, মামণি ৰয়ছম গোস্বামী, পূৰবী বৰমুদৈ, অৰূপা পটঙ্গীয়া কলিতা, ৰীতা চৌধুৰী, অনুৰাধা শৰ্মা পূজাৰী আৰু মণিকুন্তলা ভট্টাচাৰ্যৰ লগতে ৰত্না দত্ত, মাইনী মহন্ত, বন্দিতা ফুকন, অৰ্চনা পূজাৰী, চন্দনা পাঠক, জুৰি বৰা বৰগোহাঞি আদি ঔপন্যাসিকসকলৰ উপন্যাসবোৰত কম-বেছি পৰিমাণে প্ৰতিভাত হোৱা নাৰীচেতনাক উপস্থাপন কৰা হৈছে। সাম্প্ৰতিক সময়ৰ সাহিত্যৰাজিত দ্বন্দ্ব আৰু সংঘাতেৰে পৰিপূৰ্ণ নাৰীৰ জীৱন কাহিনীয়ে নব্য ৰূপ পৰিগ্ৰহ কৰিছে। পাশ্চাত্যৰ নাৰীবাদী ধাৰণাসমূহেও অসমীয়া সাহিত্যত স্থান লাভ কৰাৰ লগতে নাৰী চৰিত্ৰবোৰৰ উপস্থাপনৰ জৰিয়তে নাৰীমনৰ ক্ষোভ আৰু অন্যায়ৰ প্ৰতিবাদো পৰিলক্ষিত হৈছে। গৱেষণাকৰ্মৰ প্ৰথম অধ্যায়ত আলোচ্যমান মহিলা ঔপন্যাসিকসকলৰ উপন্যাসবোৰত পৰম্পৰাৰ দোহাই দি নাৰী জাতিৰ ওপৰত যিবোৰ

অন্যায় আৰু অবিচাৰ ন্যস্ত কৰা হৈছিল, সেইবোৰক তীব্ৰ ভাষাৰে সমালোচনা কৰাৰ লগতে নাৰীৰ স্বাধীনতাকামী মনোভাবৰ কথাও বৰ্ণিত হৈছে।

**দ্বিতীয় অধ্যায়**ত ৰীতা চৌধুৰীৰ উপন্যাসত নাৰীচেতনা সম্পৰ্কে আলোচনা কৰা হৈছে। ৰীতা চৌধুৰীৰ নাৰী চৰিত্ৰসমূহে নিজকে স্বামীৰ শোষণ তথা শাৰীৰিক, মানসিক অত্যাচাৰৰ বলি হ'বলৈ নিদি নিজাকৈ এখন পৃথিৱী গঢ়ি তুলিছে, য'ত নিজেই নিজৰ জীৱনৰ সুখৰ সংজ্ঞা নিৰূপণ কৰিবলৈ সক্ষম হৈছে। সবল প্ৰতিবাদ সৰ্বদায় লক্ষণীয় নহ'লেও তেওঁৰ নাৰী চৰিত্ৰসমূহে নিজৰ প্ৰতি হোৱা অন্যায়-অবিচাৰৰ বিৰুদ্ধে মৌনতাৰে হ'লেও যুঁজিছে। ইয়াৰ উপৰি সামাজিক স্থিতি, আৰ্থিক স্থিতি, ৰাজনৈতিক ক্ষেত্ৰ, মমতাবোধ আদি নাৰীচেতনাৰ বিভিন্ন দিশবোৰো চৌধুৰীৰ উপন্যাসত ব্যঞ্জিত হৈছে। বিশেষকৈ নিজ সন্তানৰ প্ৰতি প্ৰতিগৰাকী নাৰীৰ মায়া-মমতা চৌধুৰীৰ প্ৰায় আটাইকেইখন উপন্যাসতে উপলব্ধ। চৌধুৰীৰ 'ৰাজীৱ ঈশ্বৰ'ৰ মন্দিৰাইতো নিজৰ বিবাহপূৰ্ব অবৈধ সন্তানৰ মায়াত নিজৰ বৰ্তমানৰ সংসাৰৰ প্ৰতিও উদাসীন হৈ পৰিছে। তাই বৰ্তমান সংসাৰৰ উপস্থিতিকো অগ্ৰাহ্য কৰিছে।

**তৃতীয় অধ্যায়**ত আলোচিত অনুৰাধা শৰ্মা পূজাৰীৰ উপন্যাসত সাধাৰণতে চহৰীয়া কৰ্মব্যস্ত জীৱনত অভ্যস্ত নাৰীসমূহেই প্ৰাধান্য পাইছে। কিন্তু এই নাৰীসমূহেও প্ৰয়োজন সাপেক্ষে নিজস্ব নাৰীচেতনাৰে উদ্বুদ্ধ হৈ এক সুকীয়া ব্যক্তিসত্তা হিচাপে নিজৰ অস্তিত্ব ঘোষণা কৰিছে। এইগৰাকী ঔপন্যাসিকে গ্ৰাম্য নাৰীৰ সৰলতা আৰু চহৰীয়া নাৰীৰ বুদ্ধিমত্তাৰ লগতে সেইবোৰ নাৰীৰ জীৱনলৈ অহা নানান সমস্যাকো দাঙি ধৰিছে। দিনে দিনে জটিল হৈ অহা সমাজ-ব্যৱস্থাত নাৰী-পুৰুষ উভয়ৰে জীৱনৰ ভুক্তভোগী নাৰী চৰিত্ৰসমূহৰ মনস্তাত্বিক বিশ্লেষণো শৰ্মা পূজাৰীয়ে তেওঁৰ উপন্যাসৰাজিৰ জৰিয়তে ফুটাই তুলিছে।

**চতুৰ্থ অধ্যায়**ত মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসত প্ৰতিফলিত হোৱা নাৰীচেতনাৰ বিষয়ে আলোচনা কৰা হৈছে। ভট্টাচাৰ্যৰ উপন্যাসত নাৰীৰ সক্ৰিয় ৰূপ পৰিলক্ষিত হয়। তেওঁৰ উপন্যাসৰ প্ৰতিটো নাৰী চৰিত্ৰই এটা কেঁকুৰিৰপৰা নতুন জীৱন লাভ কৰিছে। এই কেঁকুৰিত প্ৰধানকৈ এজন পুৰুষৰ স্থিতি সৰ্বদায় লক্ষণীয়। ভট্টাচাৰ্যৰ উপন্যাসত নাৰীৰ প্ৰতি ইমান দিনে চকুত নপৰা বহুতো অন্যায়, অবিচাৰ আৰু সমস্যা পোহৰলৈ আহিছে। বিধৱা নাৰীৰ সমস্যা নাইবা স্বামীৰপৰা আঁতৰি থকা নাৰীৰ সমস্যাৰ কথা সাহিত্যৰ এটা পুৰণি বিষয় যদিও ভট্টাচাৰ্যৰ উপন্যাসত এইবোৰক নতুন

দৃষ্টিৰে চোৱা দৃষ্টিগোচৰ হৈছে।

**পঞ্চম অধ্যায়**ত ৰীতা চৌধুৰী, অনুৰাধা শৰ্মা পূজাৰী আৰু মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসসমূহৰ তুলনামূলক আলোচনাৰপৰা এটা কথা অনুধাৱন কৰিব পাৰি যে এওঁলোকে সমাজৰ এক বিশাল অংশ অধিকাৰ কৰি থকা দুখী আৰু দুৰ্ভগীয়া নাৰীৰ জীৱনকে ঘাইকৈ ৰেখাপাত কৰিছে। নাৰীমনৰ আশা-সপোন আৰু সেইবোৰৰ পূৰ্ণতাৰ পথত থকা বাধাসমূহৰ কথা এওঁলোকে যথেষ্ট সহানুভূতিশীলতাৰে উপন্যাসসমূহত ব্যঞ্জিত কৰিছে। ৰাণীৰপৰা আৰম্ভ কৰি সমাজৰ সাধাৰণ শ্ৰেণীৰ নাৰীলৈকে নাৰীৰ জীৱনৰ প্ৰতিৰূপ এওঁলোকৰ উপন্যাসত ফুটি উঠিছে। প্ৰস্তাৱিত তিনিওগৰাকী ঔপন্যাসিকৰ উপন্যাসসমূহৰ নাৰীচেতনাৰ যিবোৰ দিশ উদ্ভাসিত হৈছে তাৰ প্ৰধান বক্তব্যৰাজিৰ কিছু পৰিমাণে মিল থাকিলেও ইয়াৰ বৰ্ণনাশৈলীত পাৰ্থক্য আছে। কোনোবাই যদি একেবাৰে আধুনিক শক্তিশালী নাৰীক প্ৰতিফলিত কৰিছে, কোনোবাই আকৌ পৰম্পৰাগত নাৰীক। ইয়াৰ উপৰি পৰম্পৰাৰপৰা আধুনিকতালৈ উত্তৰণ ঘটা নাৰী চৰিত্ৰও কোনোখন উপন্যাসত ব্যঞ্জিত হৈছে। এওঁলোক নাৰী সম্পৰ্কে চিৰকালৰপৰা প্ৰৱাহিত হৈ থকা কিছুমান সংজ্ঞাক সম্পূৰ্ণৰূপে মষিমূৰ কৰি নাৰীক নতুন ৰূপত চোৱাৰ পক্ষপাতী। প্ৰসংগক্ৰমে এই অধ্যায়তে সমকালীন ইংৰাজী আৰু হিন্দী, বাংলা আৰু উড়িয়া ভাষাৰ উপন্যাস কেইখনমানৰ প্ৰসংগও টানি আনি এটি তুলনামূলক আলোচনা আগবঢ়োৱাৰ প্ৰযত্ন কৰা হৈছে।

আমাৰ আলোচ্য আটাইকেইগৰাকী ঔপন্যাসিকেই নাৰীৰ সমস্যা আৰু সুখ-দুখবোৰক গভীৰভাৱে উপলব্ধি কৰি তেওঁলোকৰ নাৰী চৰিত্ৰসমূহৰ মাজেৰে ইয়াক সজীৱ ৰূপ দিছে। বাস্তৱ জীৱনত অসম্ভৱ যেন লগা বহুতো কথাই এওঁলোকৰ উপন্যাসৰ চৰিত্ৰৰ বাবে সম্ভৱ হয়।

গৱেষণাৰ অন্তত দেখা যায় ৰীতা চৌধুৰী, অনুৰাধা শৰ্মা পূজাৰী আৰু মণিকুন্তলা ভট্টাচাৰ্যই তেওঁলোকৰ উপন্যাসৰ নাৰী চৰিত্ৰসমূহ আমাৰ চকুৰ আগত থকা নাৰী সমাজৰ পৰাই বুটলি আনিছে। বেছিসংখ্যক নাৰীয়েই অধ্যয়নপুষ্ট মন আৰু মননশীলতাৰ গুণত নিজস্ব ধ্যান-ধাৰণা গঢ়ি তুলিছে। প্ৰতিটো নাৰী চৰিত্ৰই দৃঢ়মনা আৰু ব্যতিক্ৰমী নাৰী হোৱাৰ স্বাক্ষৰ বহন কৰে।

ঔপন্যাসিকত্ৰয়ৰ অধিকসংখ্যক নাৰী চৰিত্ৰই স্বামীৰ লগত সুখী জীৱন কটোৱাৰ স্বপ্ন মষিমূৰ কৰি একাকী জীৱন কটোৱাৰ সিদ্ধান্ত লৈছে। ৰীতা চৌধুৰীৰ নাৰী চৰিত্ৰসমূহে নিজকে স্বামীৰ শোষণৰ বলি হ'বলৈ নিদি নিজাকৈ এখন পৃথিৱীৰ সৃষ্টি কৰি ব্যস্ত হৈ ৰৈছে। অনুৰাধা শৰ্মা

পূজাৰীয়ে তেওঁৰ উপন্যাসসমূহত কৰ্মব্যস্ত চহৰীয়া নাৰীৰ জীৱনশৈলীৰ লগতে গ্ৰাম্য নাৰীৰ সৰলতা আৰু চহৰীয়া নাৰীৰ বুদ্ধিমত্তাৰ পৰিচয় দাঙি ধৰিছে। মননশীল ঔপন্যাসিক মণিকুন্তলা ভট্টাচাৰ্যই তেওঁৰ বিভিন্ন নাৰী চৰিত্ৰৰ জৰিয়তে ইমানদিনে নাৰীৰ প্ৰতি কাৰোৰে চকুত নপৰা অন্যায়, অবিচাৰ আৰু অৱহেলাক মূৰ্ত ৰূপ দিছে।

মণিকুন্তলা ভট্টাচাৰ্যৰ 'অনুৰোধ' নামৰ উপন্যাসখনৰ বাহিৰে তিনিওগৰাকী ঔপন্যাসিকৰ উপন্যাসৰাজিৰ কেন্দ্ৰীয় চৰিত্ৰৰ নাৰী। একবিংশ শতিকাৰ অসমীয়া উপন্যাসত নাৰীৰ জীৱনশৈলী সম্পৰ্কে আটাইকেইগৰাকী ঔপন্যাসিকৰ উপন্যাসতে ৰেখাপাত কৰা পৰিলক্ষিত হৈছে। এওঁলোকে প্ৰধানকৈ সমাজৰ এক বিশাল অংশ অধিকাৰ কৰি থকা দুখী আৰু দুৰ্ভগীয়া নাৰীৰ জীৱনক অংকিত কৰিছে।

নিৰ্বাচিত নাৰীচেতনাসমৃদ্ধ উপন্যাসসমূহত মানৱতাবাদৰ সুৰ ধ্বনিত হৈছে। আটাইবোৰ উপন্যাসতে নাৰী জীৱনৰ সুখ-দুখ, হাঁহি-কান্দোন, জৈৱিক আশা-আকাংক্ষাৰ প্ৰকাশ লক্ষণীয়। ঔপন্যাসিকত্ৰয়ৰ সকলোবোৰ নাৰী চৰিত্ৰই বিবাহৰ মাজেৰেহে জীৱনৰ পূৰ্ণতা আহে বুলি ভবা নাই। আৰ্থিকভাৱে স্বাৱলম্বী হোৱাৰ বাবেই পুৰুষৰ সহায় অবিহনে এওঁলোকৰ জীৱন অচল নহয়। এওঁলোকৰ উপন্যাসসমূহত কেন্দ্ৰীয় পুৰুষ-নাৰীসকলৰ মাজত প্ৰায়ে মতবিৰোধ দেখা গৈছে যদিও সৰহসংখ্যক পুৰুষ চৰিত্ৰই নাৰীৰ প্ৰতি সহানুভূতিশীল ভূমিকাত অৱতীৰ্ণ হৈছে। ঔপন্যাসিকত্ৰয়ৰ উপন্যাসত স্ত্ৰীসুলভ ঐক্য পৰিলক্ষিত হয়। কঠোৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈও এওঁলোকৰ দ্বাৰা চিত্ৰিত নাৰীসমূহে হাৰ নামানি নিজ সৃষ্টিশীলতাৰ পৰিচয় দাঙি ধৰিছে।

একবিংশ শতিকাৰ অসমীয়া উপন্যাসত নাৰীৰ সম-অধিকাৰৰ বিষয়টো যথেষ্টভাৱে সফল হৈছে। আমাৰ গৱেষণাৰ নিৰ্বাচিত ঔপন্যাসিকত্ৰয়ে তেওঁলোকৰ নাৰী চৰিত্ৰসমূহক স্বতন্ত্ৰতাৰ স্বাক্ষৰ ৰূপত অংকন কৰিছে। নাৰীৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আৰু পাৰিবাৰিক চেতনা সমকালীন সমাজত দ্ৰুতগতিত বৃদ্ধি পাইছে। নিৰ্বাচিত উপন্যাসৰাজিত নাৰী চৰিত্ৰসমূহ নিজ সংজ্ঞা আৰু দৃঢ়তাৰ বলত স্বাধীনভাৱে প্ৰস্ফুটিত হৈছে। অৱশ্যে বহু সময়ত এওঁলোকে সাংসাৰিক দায়িত্ব পালন কৰিবলৈ যাওঁতে নানান সমস্যা আৰু দ্বন্দ্বৰ সন্মুখীন হৈছে যদিও অতি ধৈৰ্যসহকাৰে, কৌশলপূৰ্ণতাৰে এই হেঙাৰবোৰ অতিক্ৰম কৰিছে। এওঁলোকৰ উপন্যাসৰ নাৰী চৰিত্ৰসমূহৰ কোনোৱে নিজৰ বিৰুদ্ধে হোৱা অন্যায়ৰ সৰৱ প্ৰতিবাদ কৰিছে, কোনোৱে নীৰৱে নিজৰ কৰ্মৰ

জৰিয়তে এই প্ৰতিবাদৰ উমান দিছে। তেওঁলোকৰ নাৰীচেতনাক পুৰুষতান্ত্ৰিক সমাজৰ হাতোৰাই ক্ষত-বিক্ষত কৰিব পৰা নাই।

নিৰ্বাচিত ঔপন্যাসিকসকলৰ উপন্যাসত প্ৰায়ে মানসিক নিঃসংগতাৰ বলি হোৱা নাৰী চৰিত্ৰৰ সংখ্যাই অধিক। অনুৰাধা শৰ্মা পূজাৰীৰ 'কাঞ্চন'ত চাইক'জেনিক এমেনচিয়া আৰু মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসত ইলেক্ট্ৰা কমপ্লেক্সত ভোগা নাৰী চৰিত্ৰৰ অৱস্থা দেখা যায়। মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসত বিচিত্ৰ মানসিকতাৰ নাৰীৰ চিত্ৰণ দেখা পোৱা যায়। তেওঁ প্ৰধানকৈ জটিল নাৰী মনস্তত্ত্বৰ ওপৰত ভেটি কৰি উপন্যাস ৰচনা কৰিছে। ৰীতা চৌধুৰী আৰু অনুৰাধা শৰ্মা পূজাৰীৰ উপন্যাসৰাজিত ৰাজনৈতিক প্ৰেক্ষাপট লক্ষণীয়। চৌধুৰীৰ উপন্যাসসমূহত অসম আন্দোলনৰ প্ৰভাৱ পৰিলক্ষিত হয়। ৰীতা চৌধুৰীৰ উপন্যাসৰ ক্ষেত্ৰত লেখকৰ সৰৱ উপস্থিতি সঘনে পৰিলক্ষিত হয়। অনুৰাধা শৰ্মা পূজাৰীৰ দুই-এখন উপন্যাসৰ বাহিৰে বাকীবোৰত নৈৰ্ব্যক্তিক ভূমিকাহে দেখা পোৱা যায়। মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাসবোৰত লেখিকাৰ নিজৰ উপস্থিতি পাতলীয়া।

তিনিওগৰাকী ঔপন্যাসিকৰ ৰচনাৰাজিৰ অধ্যয়নৰ পৰা এটা কথা প্ৰতীয়মান হয় যে আটাইকেইগৰাকীয়ে নাৰীচেতনাৰ বিভিন্ন দিশক সফলতাৰে উপস্থাপন কৰা ঔপন্যাসিক। অৱশ্যে কাহিনীৰ উপস্থাপন, চৰিত্ৰ চিত্ৰণ তথা সামাজিক কাৰ্যকলাপৰ বিচাৰ-বিশ্লেষণৰ সন্দৰ্ভত তিনিওগৰাকী লেখকৰ মাজত স্বাভাৱিকতেই কিছুমান বিষয়ত বিভিন্নতা পৰিলক্ষিত হয়।

এনেদৰেই "একবিংশ শতিকাৰ অসমীয়া উপন্যাসত নাৰীচেতনা ঃ এক বিশ্লেষণাত্মক অধ্যয়ন (ৰীতা চৌধুৰী, অনুৰাধা শৰ্মা পূজাৰী আৰু মণিকুন্তলা ভট্টাচাৰ্যৰ নিৰ্বাচিত উপন্যাসৰ বিশেষ উল্লিখনেৰে)" শীৰ্ষক গৱেষণা-গ্ৰন্থখনি প্ৰস্তুত কৰোঁতে উপৰিউক্ত দিশসমূহ সামৰি লোৱা হৈছে।

কোনো ব্যক্তিয়েই নিজৰ সমসাময়িক ঊৰ্দ্ধলৈ যাব নোৱাৰে। সময়ৰ দাবীকো আওকাণ কৰিব নোৱাৰে। কিন্তু একবিংশ শতিকাৰ অসমৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক আদি দিশত হোৱা পৰিৱৰ্তন আৰু পাশ্চাত্য নব্য আনুষ্ঠানিক শিক্ষাৰ দ্ৰুত প্ৰসাৰে পুৰুষৰ সমানে সমানে নাৰীকো আধুনিক মানসিকতাৰ গৰাকী হোৱাৰ সুবিধা প্ৰদান কৰিছে। সমান্তৰালভাৱে নাৰীয়ে নাৰীচেতনাৰ বিভিন্ন দিশবোৰৰ বিষয়ে জানিব পাৰি নাৰীৰ উত্তৰণৰ বাট নিজেই প্ৰশস্ত কৰি লৈছে। আমাৰ গৱেষণাকাৰ্যৰ জৰিয়তে এনেধৰণৰ সিদ্ধান্ততেই উপনীত হ'ব পাৰি। সেইবুলি এই সিদ্ধান্তই যে সৰ্বশেষ সিদ্ধান্ত তেনে কথাও নহয়। এয়া আৰম্ভণিহে মাথোন। এই অধ্যয়নক

কেন্দ্ৰ কৰি অন্য গৱেষকসকল আগবাঢ়ি গ'লে আমাৰ শ্ৰম সাৰ্থক হ'ব। আমি নিজেও এই বিষয়ত আৰু অধিক অধ্যয়ন আৰু গৱেষণা কৰিবলৈ আগ্ৰহী হৈ ৰ'ম।